সাহিত্য অকাডেমিৰ উদ্যোগ

# দিল্লীত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ জন্ম শতবাৰ্ষিকী

## ১৯-২০ নৱেম্বৰত আলোচনা চক্ৰত অংশ ল'ব দিগন্ত বিশ্ব শৰ্মা, ড° কুলধৰ শইকীয়া, কৰবী ডেকা হাজৰিকাই

**ষ্টাফ ৰিপ'ৰ্টাৰ, ৬ নৱেম্বৰ ঃ** জ্ঞানপীঠ বঁটাপ্ৰাপক প্ৰথিতযশা সাহিত্যিক বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ জন্ম শতবাৰ্ষিকী উপলক্ষে নতুন দিল্লীত দুদিনীয়াকৈ ৰাষ্ট্ৰীয় পৰ্যায়ত আলোচনাৰ আয়োজন কৰা হৈছে। সাহিত্য অকাডেমিয়ে অহা ১৯ আৰু ২০ নৱেম্বৰত এই আলোচনা-চক্ৰ অনুষ্ঠিত কৰিব। ১৯ নৱেম্বৰৰ পুৱা ১০ বজাত আলোচনা-চক্ৰখন আৰম্ভ হ'ব। নতুন দিল্লীৰ ৰবীন্দ্ৰ *১০ পৃষ্ঠাত*

**Continue reading.......**

## দিল্লীত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ জন্ম

ভৱনৰ তৃতীয় মহলাত থকা সাহিত্য অকাডেমিৰ সভাকক্ষত আলোচনা-চক্ৰখন অনুষ্ঠিত হ'ব বুলি এক বিবৃতিৰ জৰিয়তে সদৰী কৰিছে অকাডেমিৰ সচিব কে শ্ৰীনিৱাস ৰাৱে। সাহিত্য অকাডেমিৰ অধ্যক্ষ আৰু উপাধ্যক্ষৰ উপৰি ৰাজ্যৰ কেইবাগৰাকীও বিশিষ্ট সাহিত্যিকে আলোচনা-চক্ৰখনত অংশগ্ৰহণ কৰিব। ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা-চক্ৰখনত অংশগ্ৰহণ কৰিব দিগন্ত বিশ্ব শৰ্মা, বিশ্বাস পাটিল, কুল শইকীয়া, মলয়া খাউণ্ড, কৰবী ডেকা হাজৰিকা, নিৰ্মল কান্তি ভট্টাচাৰ্য, মনোজ গোস্বামী, ৰত্নোত্তমা দাসে। 'ভট্টাচাৰ্য্যৰ সামাজিক আৰু সাংস্কৃতিক প্ৰভাৱ', 'বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ সাহিত্যিক ধাৰা আদিৰ দৰে গুৰুত্বপূৰ্ণ বিষয়ত এই আলোচনা-চক্ৰখনত সত্ৰ অনুষ্ঠিত হ'ব। উল্লেখ্য যে অসমীয়া সাহিত্যলৈ অনবদ্য আগবঢ়োৱা বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য হৈছে উত্তৰ-পূৰ্বাঞ্চলৰ পৰা সাহিত্য অকাডেমিৰ প্ৰথম আৰু একমাত্ৰ অধ্যক্ষ। ১৯৭৯ চনত তেওঁ জ্ঞানপীঠ বঁটা লাভ কৰে। ১৯৬০ চনৰ পৰা 'ৰামধেনু' আলোচনীৰ জৰিয়তে যুৱ সাহিত্য প্ৰতিভাক সমাজৰ মাজলৈ উলিয়াই অনাৰ ক্ষেত্ৰত ভট্টাচাৰ্য্যই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। ১৯৮৩-১৯৮৫ চনলৈ তেওঁ সাহিত্য সভাৰ সভাপতিৰ আসন শুৱনি কৰিছিল। 'ইয়াৰুইংগম' উপন্যাসৰ পৰা তেওঁ সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল।